CAREERINDIA

# PAPER-III
# ASSAMESE

**Signature and Name of Invigilator**

1. (Signature) ___________________________
   (Name) ______________________________
2. (Signature) ___________________________
   (Name) ______________________________

OMR Sheet No. : ..............................................
(To be filled by the Candidate)

Roll No. | | | | | | | | |
(In figures as per admission card)

Roll No.___________________________________
(In words)

| D | 3 | 6 | 1 | 4 |
|---|---|---|---|---|

Time : 2 $^1/_2$ hours] [Maximum Marks : **150**

Number of Pages in this Booklet : **16** Number of Questions in this Booklet : **75**

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. This paper consists of seventy five multiple-choice type of questions.
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   (i) To have access to the Question Booklet, tear off the paper seal on the edge of this cover page. Do not accept a booklet without sticker-seal and do not accept an open booklet.
   (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the Question Booklet will be replaced nor any extra time will be given.**
   (iii) After this verification is over, the OMR Sheet Number should be entered on this Test Booklet.
4. Each item has four alternative responses marked (A), (B), (C) and (D). You have to darken the circle as indicated below on the correct response against each item.
   **Example :** Ⓐ Ⓑ ● Ⓓ
   where (C) is the correct response.
5. Your responses to the items are to be indicated in the **OMR Sheet given inside the Booklet only.** If you mark at any place other than in the circle in the OMR Sheet, it will not be evaluated.
6. Read instructions given inside carefully.
7. Rough Work is to be done in the end of this booklet.
8. If you write your Name, Roll Number, Phone Number or put any mark on any part of the OMR Sheet, except for the space allotted for the relevant entries, which may disclose your identity, or use abusive language or employ any other unfair means such as change of response by scratching or using white fluid, you will render yourself liable to disqualification.
9. You have to return the test question booklet and Original OMR Sheet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall. You are, however, allowed to carry original question booklet and duplicate copy of OMR Sheet on conclusion of examination.
10. **Use only Blue/Black Ball point pen.**
11. **Use of any calculator or log table etc., is prohibited.**
12. **There is no negative marks for incorrect answers.**

## परीक्षार्थियों के लिए निर्देश

1. इस पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए ।
2. इस प्रश्न-पत्र में पचहत्तर बहुविकल्पीय प्रश्न हैं ।
3. परीक्षा प्रारम्भ होने पर, प्रश्न-पुस्तिका आपको दे दी जायेगी । पहले पाँच मिनट आपको प्रश्न-पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे, जिसकी जाँच आपको अवश्य करनी है :
   (i) प्रश्न-पुस्तिका खोलने के लिए उसके कवर पेज पर लगी कागज की सील को फाड़ लें । खुली हुई या बिना स्टीकर-सील की पुस्तिका स्वीकार न करें ।
   (ii) **कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं । दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात् किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले लें । इसके लिए आपको पाँच मिनट दिये जायेंगे । उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा ।**
   (iii) इस जाँच के बाद OMR पत्रक की क्रम संख्या इस प्रश्न-पुस्तिका पर अंकित कर दें ।
4. प्रत्येक प्रश्न के लिए चार उत्तर विकल्प (A), (B), (C) तथा (D) दिये गये हैं । आपको सही उत्तर के वृत्त को पेन से भरकर काला करना है जैसा कि नीचे दिखाया गया है ।
   **उदाहरण :** Ⓐ Ⓑ ● Ⓓ
   जबकि (C) सही उत्तर है ।
5. प्रश्नों के उत्तर **केवल प्रश्न पुस्तिका के अन्दर दिये गये OMR पत्रक पर ही** अंकित करने हैं । यदि आप OMR पत्रक पर दिये गये वृत्त के अलावा किसी अन्य स्थान पर उत्तर चिह्नांकित करते हैं, तो उसका मूल्यांकन नहीं होगा ।
6. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें ।
7. कच्चा काम (Rough Work) इस पुस्तिका के अन्तिम पृष्ठ पर करें ।
8. यदि आप OMR पत्रक पर नियत स्थान के अलावा अपना नाम, रोल नम्बर, फोन नम्बर या कोई भी ऐसा चिह्न जिससे आपकी पहचान हो सके, अंकित करते हैं अथवा अभद्र भाषा का प्रयोग करते हैं, या कोई अन्य अनुचित साधन का प्रयोग करते हैं, जैसे कि अंकित किये गये उत्तर को मिटाना या सफेद स्याही से बदलना तो परीक्षा के लिये अयोग्य घोषित किये जा सकते हैं ।
9. आपको परीक्षा समाप्त होने पर प्रश्न-पुस्तिका एवं मूल OMR पत्रक निरीक्षक महोदय को लौटाना आवश्यक है और परीक्षा समाप्ति के बाद उसे अपने साथ परीक्षा भवन से बाहर न लेकर जायें । हालांकि आप परीक्षा समाप्ति पर मूल प्रश्न-पुस्तिका तथा OMR पत्रक की डुप्लीकेट प्रति अपने साथ ले जा सकते हैं ।
10. **केवल नीले/काले बाल प्वाईंट पेन का ही इस्तेमाल करें ।**
11. **किसी भी प्रकार का संगणक (कैलकुलेटर) या लाग टेबल आदि का प्रयोग वर्जित है ।**
12. **गलत उत्तरों के लिए कोई नकारात्मक अंक नहीं हैं ।**

www.careerindia.com

CAREERINDIA

# ASSAMESE

## অসমীয়া

## Paper – III

## প্ৰশ্নকাকত– III

**Note :** This paper contains **seventy five (75)** objective type questions, each question carrying **two (02)** marks. Attempt **all** of them.

**টোকা :** এই প্ৰশ্ন কাকতত বহু বিকল্পীয় **(75) পয়সত্তৰ** টা প্ৰশ্ন আছে । প্ৰতিটো প্ৰশ্নৰ মূল্যাংক **দুই (2)** । সকলো প্ৰশ্নৰ উত্তৰ কৰিবা ।

**1.** চম্পক কলিকা যেন মোৰ কলেবৰ ।
লুণ্ডি ঘুণ্ডি আছিলাহা যেহেন ভ্ৰমৰ ।।
উক্ত কথাফাঁকি মাধৱ কন্দলিৰ ৰামায়ণৰ কোনটো কাণ্ডৰ অন্তৰ্গত ?

(A) অৰণ্য কাণ্ড (B) অযোধ্যা কাণ্ড
(C) কিষ্কিন্ধ্যা কাণ্ড (D) উত্তৰা কাণ্ড

**2.** ‘গীত-গোৱিন্দ’ পুথিখন সংস্কৃতৰ পৰা অসমীয়ালৈ অনুবাদ কৰা কবিজনৰ নাম –

(A) ৰাম সৰস্বতী (B) হেম সৰস্বতী
(C) কবিৰত্ন সৰস্বতী (D) অনন্ত কন্দলি

**3.** তলৰ চাৰিশ্ৰেণী শব্দৰ কোন শ্ৰেণীৰ শব্দ ফাৰ্চী ভাষাৰ পৰা আহিছে ?

(A) বুটাম, বাল্টি, গীৰ্জা, বাৰান্দা, বেহেলা
(B) ভেজাল, ৰসগোল্লা, হাইজা, চাহিদা, কাগজৱালা
(C) খাজানা, জমা, জমিদাৰ, হাকিম, উকিল
(D) গাৰোৱান, দাৰোৱান, মৌজাদাৰ, চৌকিদাৰ, বেইজ্জত

**4.** ‘কিৰাত’ শব্দটো ‘কক্ষত’ শব্দৰ পৰা সৃষ্টি হৈছে-এই কথাষাৰ কোনজন পণ্ডিতে দাঙি ধৰিছে ?

(A) সুনীতি কুমাৰ চেটাৰ্জী (B) বিৰিঞ্চি কুমাৰ বৰুৱা
(C) কনকলাল বৰুৱা (D) বাণীকান্ত কাকতি

**5.** মহেশ্বৰ নেওগৰ ‘ডাৱৰৰ সিপাৰে ধুনীয়া দেশ’ পুথিখন কোন শ্ৰেণী সাহিত্যৰ অন্তৰ্গত ?

(A) অনুবাদ সাহিত্য (B) শিশু সাহিত্য
(C) উপন্যাস সাহিত্য (D) কাব্য সাহিত্য

**6.** অসমীয়া ভাষাত নাসিক্য ধ্বনিৰ সংখ্যা হ’ল

(A) এটা (B) দুটা
(C) তিনিটা (D) চাৰিটা

**7.** ৰ’ল’কেতেৰ কাৰ্বিসকলৰ এক

(A) মৃতকৰ শ্ৰাদ্ধ উৎসৱ (B) বছেৰেকীয়া উৎসৱ
(C) লখিমী আদৰা উৎসৱ (D) বসন্ত উৎসৱ

**8.** ‘বাঁহী’ আলোচনী প্ৰকাশৰ চনটো হ’ল –

(A) ১৯০৭ (B) ১৯০৯
(C) ১৯১৯ (D) ১৯২৯

**9.** একোটা ৰাজবংশক লৈও একোখন বুৰঞ্জী ৰচনা কৰা হৈছে । এনেধৰণে লিখা তলৰ কোনখন বুৰঞ্জী পোৱা যায় ?

(A) বৰপাহি বুৰঞ্জী
(B) তুংখুঙ্গীয়া বুৰঞ্জী
(C) জয়ন্তীয়া বুৰঞ্জী
(D) কছাৰী বুৰঞ্জী

**10.** জোনাকী নিশাত কাৰে ঐ
মুকুতাৰ মণি সৰি গ'ল ?
জানোচা শৰতে এৰি-থৈ গ'ল ?
উদ্ধৃত কৱিতাফাঁকিৰ কবি কোন ?

(A) লক্ষ্মীনাথ বেজবৰুৱা
(B) চন্দ্ৰকুমাৰ আগৰৱালা
(C) আনন্দচন্দ্ৰ আগৰৱালা
(D) পাৰ্বতি প্ৰসাদ বৰুৱা

**11.** মহেশ্বৰ নেওগৰ 'অসমীয়া সাহিত্যৰ ৰূপৰেখা' শীৰ্ষক গ্ৰন্থখনৰ প্ৰথম প্ৰকাশ কেতিয়া হয় –

(A) ১৯৬১ চনত
(B) ১৯৬২ চনত
(C) ১৯৬৩ চনত
(D) ১৯৬৪ চনত

**12.** হেমচন্দ্ৰ বৰুৱাৰ 'হেমকোষ' প্ৰথম প্ৰকাশ হয় –

(A) ১৮৯৯ চনত
(B) ১৯০০ চনত
(C) ১৯০১ চনত
(D) ১৯০২ চনত

**13.** 'বৰষা অনন্তকাল জ্ঞানৰ পোহৰ,
জ্যোতিময়ী জোনাকী সৰিতা ।
বজোৱা অনন্তকাল সঞ্জীৱনী বীণা,
বীণাপাণি কোমল কবিতা ' ।।
উক্ত কৱিতাফাঁকিৰ কবি হ'ল –

(A) লক্ষ্মীনাথ বেজবৰুৱা
(B) চন্দ্ৰকুমাৰ আগৰৱালা
(C) হেমচন্দ্ৰ গোস্বামী
(D) নীলমণি ফুকন

**14.** 'Lacit Barphukan and His times' গ্ৰন্থৰ প্ৰণেতা

(A) ৰত্নেশ্বৰ মহন্ত
(B) বেণুধৰ শৰ্মা
(C) জ্ঞাননাথ বৰা
(D) সূৰ্যকুমাৰ ভূঞা

**15.** তলত উল্লেখ কৰা লেখক কেইজনৰ কোনজন সাহিত্য অকাডেমি বঁটা বিজয়ী লেখক –

(A) অৰূপা পটঙ্গীয়া কলিতা
(B) অনুৰাধা শৰ্মা পূজাৰী
(C) পুৰবী বৰমুদৈ
(D) কৰবী ডেকা হাজৰিকা

**16.** 'কানাই বৰশী-বোৱা লিপি'ৰ সময় হ'ল

(A) একাদশ শতিকা
(B) দ্বাদশ শতিকা
(C) এয়োদশ শতিকা
(D) চতুৰ্দশ শতিকা

17. নিয়ৰ মুকুতা পিন্ধি হেঙুলী-আঁচল মেলি
ঊষা আহে সোণালী ৰথত;
নিশাৰ ওৰণি ঠেলি অৰুণে মিচিকি হাঁহে
প্ৰকৃতিৰ ৰূপহী বনত
উক্ত কবিতাফাঁকিৰ কবি হ'ল –

(A) যতীন্দ্ৰনাথ দুৱৰা
(B) নলিনীবালা দেৱী
(C) দুৰ্গেশ্বৰ শৰ্মা
(D) ৰঘুনাথ চৌধাৰী

18. খাচী ভাষাৰ মূল –

(A) চীন-তিব্বতীয়
(B) অষ্ট্ৰিক
(C) দ্ৰাবিড়
(D) ভাৰতীয় আৰ্য

19. 'গৰকা জৰি' তলৰ কোনটো শিল্পৰ সৈতে জড়িত –

(A) কাঁহ শিল্প
(B) মৃৎ শিল্প
(C) বয়ন শিল্প
(D) পিতল শিল্প

20. 'অসমৰ-জনজাতি' শীৰ্ষক গ্ৰন্থখনৰ সম্পাদক কোন –

(A) বিৰিঞ্চি কুমাৰ বৰুৱা
(B) লীলা গগৈ
(C) ভুৱনমোহন দাস
(D) প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য

তলৰ **21**-ৰ পৰা **30**-লৈ থকা প্ৰতিটো প্ৰশ্নৰ লগত চাৰিটাকৈ প্ৰসঙ্গ দিয়া আছে আৰু উত্তৰ স্বৰূপে সেই প্ৰসঙ্গসমূহৰ পৰা চাৰিটা বিকল্প (A), (B), (C), (D) দিয়া আছে । শুদ্ধ উত্তৰটো বাছি উলিওৱা :

21. তলত দিয়া চৰিত্ৰসমূহৰ ভিতৰত একেখন নাটকৰ দুটা চৰিত্ৰ হৈছে –

i. গোলাপ
ii. অনঙ্গৰাম
iii. জুনাফা
iv. মায়াব

(A) i আৰু ii
(B) iii আৰু iv
(C) ii আৰু iv
(D) iii আৰু ii

22. একেধাৰে উপন্যাস আৰু আত্মজীৱনীৰ লেখক দুজন

i. প্ৰফুল্ল দত্ত গোস্বামী
ii. বিৰিঞ্চিকুমাৰ বৰুৱা
iii. লক্ষ্মীনাথ বেজবৰুৱা
iv. বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য

(A) ii আৰু iii
(B) ii আৰু iv
(C) i আৰু iii
(D) i আৰু ii

23. ফাৰ্চী ভাষাৰ শব্দৰ মূল –

i. হাইজা, চাহিদা, ভেজাল, কেলেঙ্কাৰী, মহঙ্গা ।
ii. খাজানা, জমা, এলেকা, খাৰিজ, চাবুক ।
iii. বুটাম, বাল্টি,. গীৰ্জা, পাউৰুটি, বাৰান্দা ।
iv. ফৌজ, চিপাহী, নজৰবন্দী, বন্দুক, জৰিমনা

(A) i আৰু ii
(B) ii আৰু iii
(C) iii আৰু iv
(D) ii আৰু iv

CAREERINDIA

**24.** একে সময় প্ৰাচীন অসমীয়া সাহিত্যৰ দুজন কবি

i. ৰুদ্ৰ সৰস্বতী
ii. হেম সৰস্বতী
iii. ৰাম সৰস্বতী
iv. কবিৰত্ন সৰস্বতী

(A) i আৰু ii
(B) ii আৰু iii
(C) ii আৰু iv
(D) iii আৰু iv

**25.** হীৰেন ভট্টাচাৰ্যৰ দুখন কবিতাপুথি

i. ভালপোৱাৰ বোকামাটি
ii. মন-ময়ুৰী
iii. সাগৰতলীৰ শংখ
iv. প্ৰিয়শব্দ বৰ্ণমালা

(A) i আৰু iv
(B) ii আৰু iii
(C) i আৰু ii
(D) ii আৰু iv

**26.** কাৰ্বি জনগোষ্ঠীয়ে পালন কৰা দুটা উৎসৱ –

i. ল'কু
ii. ৰংকেৰ
iii. চকেৰয়
iv. পয়চাংকেন

(A) i আৰু ii
(B) ii আৰু iii
(C) iii আৰু iv
(D) ii আৰু iv

**27.** একেধাৰে নাট্যকাৰ আৰু অনুবাদক হিচাপে খ্যাতি অৰ্জন কৰা দুজন লেখকৰ থূল :

i. পদ্মনাথ গোহাঞি বৰুৱা
ii. নবীনচন্দ্ৰ বৰদলৈ
iii. অতুলচন্দ্ৰ হাজৰিকা
iv. জ্যোতিপ্ৰসাদ আগৰৱালা

(A) i আৰু ii
(B) iv আৰু ii
(C) ii আৰু iii
(D) iii আৰু iv

**28.** প্ৰাচীন শিৱদ'ল থকা দুখন স্থানৰ থূল

i. চৰাইদেউ
ii. নেঘেৰিটিং
iii. গড়গাওঁ
iv. বিশ্বনাথ

(A) i আৰু iii
(B) ii আৰু iv
(C) iii আৰু iv
(D) ii আৰু iii

**29.** উপেন্দ্ৰনাথ গোস্বামীয়ে ৰচিত গ্ৰন্থৰ থূল

i. অসমীয়া ব্যাকৰণ প্ৰবেশ
ii. অসমীয়া ভাষাৰ ব্যাকৰণ
iii. অসমীয়া ভাষাৰ ৰূপকথা
iv. অসমীয়া ভাষাৰ গান আৰু বিকাশ

(A) i আৰু ii
(B) i আৰু iii
(C) ii আৰু iii
(D) iii আৰু iv

**30.** দুখন জীৱনী গ্ৰন্থ

i. জীৱন নৈৰ জাঁজি
ii. জীৱন সংঘাত
iii. জীৱন বীণাৰ সুৰ
iv. মোৰ জীৱনৰ ধুমুহা এছাটি

(A) ii আৰু iii
(B) iii আৰু ii
(C) i আৰু iv
(D) iii আৰু iv

তলৰ **31** ৰ পৰা **35** লৈ দিয়া প্ৰতিটো উক্তি (Assertion) আৰু যুক্তি (Reason) হিচাপে উল্লেখ কৰা বিবৃতি দুটাৰ বিষয়ে যুগুতোৱা (A), (B), (C), (D) ৰ পৰা শুদ্ধ উত্তৰটো নিৰ্ণয় কৰা :

**31.** **উক্তি :** চৰ্যাপদৰ ভাষাত প্ৰাচীন অসমীয়া ভাষাৰ নিদৰ্শন যথেষ্ট পোৱা যায় ।

**যুক্তি :** চৰ্যাপদৰ ভাষাত অসমীয়া ভাষাৰহে নিদৰ্শন আছে, বাংলা ভাষাৰ নিদৰ্শন পোৱা নাযায় ।

(A) উক্তি শুদ্ধ, যুক্তি শুদ্ধ
(B) উক্তি অশুদ্ধ, যুক্তি অশুদ্ধ
(C) উক্তি অশুদ্ধ, যুক্তি শুদ্ধ
(D) উক্তি শুদ্ধ, যুক্তি অশুদ্ধ

**32.** **উক্তি :** জোনাকী কাকতে আধুনিক অসমীয়া সাহিত্যৰ ভেঁটি টনকিয়াল কৰিলে ।

**যুক্তি :** জোনাকী যুগৰ ত্ৰিমূৰ্তিয়ে অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা গঠন কৰিলে ।

(A) উক্তি শুদ্ধ, যুক্তি অশুদ্ধ
(B) উক্তি অশুদ্ধ, যুক্তি অশুদ্ধ
(C) উক্তি অশুদ্ধ, যুক্তি শুদ্ধ
(D) উক্তি শুদ্ধ, যুক্তি শুদ্ধ

**33.** **উক্তি :** অসমীয়া ভাষাটোয়ে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত ৰাজ্যভাষাৰূপে কাম চলাই আছে ।

**যুক্তি :** অসমীয়া ভাষাটোক উত্তৰ পূৰ্বাঞ্চলৰ সকলো জনগোষ্ঠীয়ে আকোঁৱালি লৈছে ।

(A) উক্তি শুদ্ধ, যুক্তি অশুদ্ধ
(B) উক্তি শুদ্ধ, যুক্তি শুদ্ধ
(C) উক্তি অশুদ্ধ, যুক্তি অশুদ্ধ
(D) উক্তি অশুদ্ধ, যুক্তি শুদ্ধ

**34.** **উক্তি :** ইউৰোপীয় গ্ৰীক, লেটিন, ইংৰাজী আদি ভাষাসমূহ অসমীয়া ভাষাৰ দূৰ সম্পৰ্কীয় ।

**যুক্তি :** অসমীয়া ভাষা মূল ইন্দো-ইউৰোপীয় ভাষাগোষ্ঠীৰ ইন্দো-ইৰাণীয় শাখাৰ আৰ্য উপশাখাৰ অন্তৰ্গত ।

(A) উক্তি শুদ্ধ, যুক্তি শুদ্ধ
(B) উক্তি অশুদ্ধ, যুক্তি অশুদ্ধ
(C) উক্তি শুদ্ধ, যুক্তি অশুদ্ধ
(D) উক্তি অশুদ্ধ, যুক্তি শুদ্ধ

**35.** **উক্তি :** গদ্যত ৰচনা কৰা বিভিন্ন চৰিত্ৰ আৰু ঘটনাৰ দ্বাৰা সমৃদ্ধ শিল্পসম্মত ৰূপক উপন্যাস বোলা হয় ।

**যুক্তি :** উপন্যাসত ঔপন্যাসিকৰ ব্যক্তিগত আৰু সামাজিক জীৱনৰ প্ৰতিফলন ঘটে ।

(A) উক্তি শুদ্ধ, যুক্তি শুদ্ধ
(B) উক্তি অশুদ্ধ, যুক্তি অশুদ্ধ
(C) উক্তি শুদ্ধ, যুক্তি অশুদ্ধ
(D) উক্তি অশুদ্ধ, যুক্তি শুদ্ধ

তলৰ **36** ৰ পৰা **40** লৈ দিয়া প্ৰতিটো মন্তব্য যুক্তিৰে বিশ্লেষণ কৰি বা কাৰ্যকাৰণ নিৰ্ণয় কৰি (A), (B), (C), (D) চাৰিটা বিকল্প দিয়া হৈছে । তাৰ মাজৰ পৰা তুমি শুদ্ধ বুলি ভবা মতটো বাছি উলিওৱা :

**36.** ‘ভাৱক ভাই ভজা ভগৱন্ত ভক্তিভাৱে ।
ভগৱন্ত ভজিলে পৰম গতি পাৱে ।।’

(A) ভাৱ, ভগ, ভক্তি আদি শব্দৰ বাৰে বাৰে প্ৰয়োগ হোৱাৰ বাবে অনুপ্ৰাস অলঙ্কাৰ হৈছে ।
(B) বাক্য দুটাৰ ভাৱে আৰু পাৱে শব্দৰ শেষ বৰ্ণ ৱে হোৱাৰ বাবে অনুপ্ৰাস অলঙ্কাৰ হৈছে ।
(C) ভাৱ, ভগ, ভক্তি, ভজিলে আদি শব্দত বাৰে বাৰে ‘ভ’ বৰ্ণৰ প্ৰয়োগ হোৱাৰ বাবে অনুপ্ৰাস অলঙ্কাৰ হৈছে ।
(D) ‘ভ’ বৰ্ণটো বেলেগ বেলেগ শব্দত ব্যৱহাৰ হোৱাৰ বাবে ইয়াত অনুপ্ৰাস অলঙ্কাৰ হৈছে ।

CAREERINDIA

**37.** আধুনিক অসমীয়া সংস্কৃতি আৰ্য সংস্কৃতি আৰু জনজাতীয় সংস্কৃতিৰ সমন্বয়ত গঢ় লৈ উঠিছে । কাৰণ

(A) আধুনিক অসমীয়া সংস্কৃতি জনজাতীয় দান বৰঙণিৰে গঢ় লৈ উঠিছে ।

(B) অসমীয়া সংস্কৃতিক যুগে যুগে আৰ্য সংস্কৃতিৰ বাহিৰেও জনজাতীয় সংস্কৃতিয়ে বিশেষভাৱে পৰিপুষ্ট কৰিছে ।

(C) অষ্ট্ৰিক আৰু তিব্বতবৰ্মীয় সংস্কৃতিৰ প্ৰভাৱ অসমীয়া সংস্কৃতিৰ ওপৰত পৰিছে ।

(D) অসমীয়া সংস্কৃতিয়ে আৰ্য সংস্কৃতি পৰিহাৰ কৰি জনজাতীয় সংস্কৃতিক আঁকোৱালি লৈছে ।

**38.** 'ম'হৰ শিঙত কঁকিলা ডাঁৰ

বলে নোৱৰা শিলক পৰি নমস্কাৰ

শালক শিঙিয়ে হাঁহিলে

কোদো বাঁহতহে জুই ।

(A) স্তৱকটিত নিভাঁজ ঘৰুৱা শব্দৰ প্ৰয়োগ ঘটিছে ।

(B) স্তৱকটিত জতুৱা ৰূপৰ প্ৰয়োগ ঘটিছে ।

(C) স্তৱকটিত যোজনা-পটন্তৰৰ প্ৰয়োগ ঘটিছে ।

(D) স্তৱকটিত প্ৰৱচনৰ প্ৰয়োগ ঘটিছে ।

**39.** মানুহক সাংস্কৃতিক জীৱ বুলি কোৱা হয় । কাৰণ

(A) সকলো প্ৰাণীৰ ভিতৰত কেৱল মানুহৰ ভাষা ক'ব পৰা ক্ষমতা আছে আৰু সকলো মানুহৰহে চিন্তা কৰা শক্তি আছে । মানুহে সাহিত্য-সঙ্গীত সৃষ্টি-কৰিব পাৰে ।

(B) গীত-নৃত্য, সাহিত্য, সংস্কৃতিৰ আদিৰ প্ৰতি মানুহৰ আকৰ্ষণ আছে । ই মানুহৰ স্বাভাৱিক গুণ ।

(C) মানুহে জীৱনটো সুন্দৰ কৰাৰ বাবে নৃত্য, গীত, সাহিত্য আদিক আঁকোৱালি লৈছে ।

(D) মানুহে ভাব-চিন্তাৰ জৰিয়তে নতুন নতুন সৃষ্টিত ব্ৰতী হৈ থাকে । ফলত নানা নতুন নতুন কাৰ্য সাধন কৰিব পাৰে ।

**40.** 'হেৰা হেৰা বাটৰুৱা মৰমৰ ভাইহঁত ।

নেৰিবা নেৰিবা মোক এই মায়া বজাৰত ।।'

(A) দুই শাৰীত পূৰ্ণ হোৱা প্ৰতি শাৰীতে ভাবৰ যতি পৰা বাবে ই পয়াৰ ছন্দৰ উদাহৰণ ।

(B) কম আখৰ থকা অৰ্থাৎ ১৪ আখৰতকৈ বেছি থকা শেষ আৰু আখৰৰ মিল থকাৰ বাবে ই দীৰ্ঘ পয়াৰ ছন্দৰ উদাহৰণ ।

(C) দুই শাৰীত 'হেৰা' আৰু 'নেৰিবা' শব্দ দুটা দ্বিৰুক্তি হোৱা আৰু ষোল আখৰীয়া হোৱাৰ বাবে দীৰ্ঘ পয়াৰ ছন্দ বুলি ক'ব পাৰি ।

(D) দুই শাৰীত পূৰ্ণ হোৱা প্ৰতি শাৰীতে ষোলটাকৈ আখৰ থকাৰ বাবে ইয়াক দীৰ্ঘ পয়াৰ ছন্দ বুলি কোৱা হৈছে ।

**41**-ৰ পৰা **55**-লৈ থকা প্ৰশ্নসমূহৰ প্ৰতিটো প্ৰশ্নতে উল্লেখ কৰা আলোচনী/পুথি/লেখক/ঘটনা আদিক সময় অনুসৰি একাদিক্ৰমত তালিকাবদ্ধ কৰি (A), (B), (C), (D) চাৰিটা গোট কৰা হৈছে । তাৰ মাজৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱা ।

**41.** i. উমাচল শিলালিপি
ii. ভাস্কৰ বৰ্মাৰ ডুবিশাসন
iii. নগাজৰী খনিকৰ গাঁৱৰ লিপি
iv. কানাই বৰশী বোৱা শিলালিপি

(A) i iii iv ii
(B) iii i ii iv
(C) iii ii iv i
(D) i ii iii iv

**42.** i. Assamese, its Formation and Development.
ii. Origin and Growth of the Assamese Language.
iii. A study of phonology and vocabulary of the Assamese Language.
iv. Assamese language : Origin and Development.

(A) iv iii ii i
(B) i ii iv iii
(C) iv i iii ii
(D) iii iv i ii

**43.** i. চলন্ত অভিধান
ii. শৰাইঘাট অভিধান
iii. আধুনিক অসমীয়া অভিধান
iv. ব্যৱহাৰিক অসমীয়া অভিধান

(A) iii i ii iv
(B) ii iii i iv
(C) iii ii iv i
(D) iv i iii ii

**44.** i. মনোমতী
ii. নিৰ্মল ভকত
iii. মিৰি জীয়াৰী
iv. ৰহদৈ লিগিৰী

(A) i iii ii iv
(B) ii iv i iii
(C) iv ii iv ii
(D) iii i ii iv

**45.** i. অসমৰ লোকসংস্কৃতি
ii. অসমৰ সংস্কৃতি
iii. অসমৰ জনজাতি
iv. অসমৰ লোকসংস্কৃতিৰ আভাস

(A) iv ii i iii
(B) iii i iv ii
(C) i iii ii iv
(D) ii iv iii i

**46.** i. সত্ৰীয়া সমাজৰ সাহিত্য
ii. আহোম ৰাজত্বৰ সাহিত্য
iii. শঙ্কৰোত্তৰ অন্যান্য সাহিত্য
iv. কোচ আৰু কছাৰী ৰজাসকলৰ ৰাজত্বৰ সাহিত্য

(A) ii i iii iv
(B) i ii iv iii
(C) ii i iv iii
(D) iii iv ii i

CAREERINDIA

**47.** i. মণিদীপ ii. আসাম বান্ধৱ

iii. আমাৰ প্ৰতিনিধি iv. অসম সাহিত্য সভা পত্ৰিকা

| | | | | |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | iii | i | iv | ii |
| (C) | iv | iii | ii | i |
| (D) | ii | iv | i | iii |

**48.** i. জ্যোতিপ্ৰসাদ আগৰৱালাৰ ‘শোণিত কুঁৱৰী’

ii. অতুলচন্দ্ৰ হাজৰিকাৰ ‘নৰকাসুৰ’

iii. মিত্ৰদেৱ মহন্তৰ ‘কুকুৰী কণাৰ আঠমঙলা’

iv. গণেশ গগৈৰ ‘শকুনিৰ প্ৰতিশোধ’

| | | | | |
|---|---|---|---|---|
| (A) | ii | iii | iv | i |
| (B) | i | iv | iii | ii |
| (C) | iv | ii | i | iii |
| (D) | iii | i | ii | iv |

**49.** i. অসম নাট্য সন্মিলন ii. অসম সাহিত্য সভা

iii. অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা iv. অসম মহিলা সমিতি

| | | | | |
|---|---|---|---|---|
| (A) | iii | ii | iv | i |
| (B) | ii | iii | i | iv |
| (C) | iii | iv | i | ii |
| (D) | iv | i | ii | iii |

**50.** i. এজনী জাপানী ছোৱালী ii. মৰহা পাপৰি

iii. পৰশমণি iv. শিখৰে শিখৰে

| | | | | |
|---|---|---|---|---|
| (A) | ii | iii | iv | i |
| (B) | iv | i | ii | iii |
| (C) | iii | ii | i | iv |
| (D) | i | iv | iii | ii |

**51.** i. মুকুতা ii. সঁফুৰা

iii. দীপক iv. মৌচাক

| | | | | |
|---|---|---|---|---|
| (A) | iii | ii | iv | i |
| (B) | i | ii | iv | iii |
| (C) | iv | i | iii | ii |
| (D) | i | iii | ii | iv |

**52.** i. অসমীয়া কথা সাহিত্য ii. অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা

iii. অসমীয়া ৰামায়ণ-সাহিত্য iv. অসমীয়া গীতি সাহিত্য

| | | | | |
|---|---|---|---|---|
| (A) | i | iv | iii | ii |
| (B) | ii | iii | i | iv |
| (C) | iii | i | iv | ii |
| (D) | iv | ii | iii | i |

**53.** i. ৰঘুনাথ চৌধাৰীৰ 'কাৰবালা' ii. দুৰ্গেশ্বৰ শৰ্মাৰ 'অঞ্জলি'
iii. পদ্মধৰ চলিহাৰ 'ফুলনি' iv. মফিজুদ্দিন আহমদ হাজৰিকাৰ 'জ্ঞান মালিনী'

| | | | | |
|---|---|---|---|---|
| (A) | iv | ii | iii | i |
| (B) | iii | iv | i | ii |
| (C) | ii | i | iv | iii |
| (D) | i | iii | ii | iv |

**54.** i. নগেন শইকীয়া ii. বীৰেশ্বৰ বৰুৱা
iii. য়েচে দৰজে ঠংচি iv. ভবেন শইকীয়া
(সাহিত্য অকাডেমী বঁটা প্ৰাপ্ত সাহিত্যিক)

| | | | | |
|---|---|---|---|---|
| (A) | iii | ii | i | iv |
| (B) | ii | iii | iv | i |
| (C) | iv | i | ii | iii |
| (D) | i | iv | iii | iv |

**55.** i. ধৰ্মেশ্বৰী দেৱী বৰুৱানী ii. পদ্মাৱতী দেৱী ফুকননী
iii. নলিনী বালা দেৱী iv. যমুনেশ্বৰী খাটনিয়াৰ

| | | | | |
|---|---|---|---|---|
| (A) | i | ii | iv | iii |
| (B) | ii | i | iii | iv |
| (C) | iii | iv | i | ii |
| (D) | iv | i | ii | iii |

**56**-ৰ পৰা **70**-লৈ দিয়া প্ৰশ্নসমূহৰ 'ক' স্তম্ভত দিয়া বিষয়ৰ লগত সম্পৰ্ক থকা 'খ' স্তম্ভত দিয়া বিষয়সমূহ মিলাই (A), (B), (C), (D) এই চাৰিটা বিকল্প দেখুওৱা হৈছে । তাৰে পৰা শুদ্ধ বিকল্পটো চিহ্নিত কৰা ।

**56.**

| **'ক' স্তম্ভ** | **'খ' স্তম্ভ** |
|---|---|
| a. অসমীয়া লোক-সংস্কৃতিৰ আভাস | i. নিৰ্মলপ্ৰভা বৰদলৈ |
| b. অসমীয়া উপন্যাসৰ গতিধাৰা | ii. নবীন চন্দ্ৰ শৰ্মা |
| c. অসমৰ লোক সংস্কৃতি | iii. বাণীকান্ত কাকতি |
| d. পুৰণি অসমীয়া সাহিত্য | iv. সত্যেন্দ্ৰনাথ শৰ্মা |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | iv | i | iii |
| (B) | i | ii | iii | iv |
| (C) | iv | iii | ii | i |
| (D) | iii | i | iv | ii |

**57.**

| **'ক' স্তম্ভ** | **'খ' স্তম্ভ** |
|---|---|
| a. মহেন্দ্ৰ বৰা | i. সাহিত্যৰ সাজ |
| b. সোণাপতি দেৱ শৰ্মা | ii. কাব্য আৰু অভিব্যঞ্জনা |
| c. বিৰিঞ্চি কুমাৰ বৰুৱা | iii. সাহিত্য বিচাৰ |
| d. ৰামমল ঠাকুৰীয়া | iv. সাহিত্য উপক্ৰমণিকা |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | iv | i | ii | iii |
| (C) | ii | iv | i | iii |
| (D) | iii | i | iv | ii |

CAREERINDIA

58. 'ক' স্তম্ভ 'খ' স্তম্ভ

a. বাণীকান্ত কাকতি i. মিচিং সংস্কৃতিৰ আলেখ্য

b. ভৃগুমণি কাগয়ুং ii. দেউৰী সংস্কৃতি

c. ডম্বৰুধৰ দেউৰী iii. অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা

d. লীলা গগৈ iv. কলিতা জাতিৰ ইতিবৃত্ত

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | iv | i | ii |
| (B) | ii | iii | iv | i |
| (C) | i | ii | iii | iv |
| (D) | iv | i | ii | iii |

59. 'ক' স্তম্ভ 'খ' স্তম্ভ

a. তুলনামূলক সাহিত্য আৰু অনুবাদ বিচাৰ i. কৰবী ডেকা হাজৰিকা

b. তুলনামূলক সাহিত্য আৰু অনুবাদ কলা ii. নীৰাজনা মহন্ত বেজবৰা

c. পটভূমিকাত তুলনামূলক সাহিত্য iii. সত্যেন্দ্রনাথ শৰ্মা

d. অসমীয়া কাহিনীকাব্যৰ প্রবাহ iv. প্রফুল্ল কটকী

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | iv | i | ii | iii |
| (C) | iv | iii | ii | i |
| (D) | iii | ii | iv | i |

60. 'ক' স্তম্ভ 'খ' স্তম্ভ

a. হাজং i. বিচু

b. ডিমাছা ii. দুমাহী পে

c. কাৰ্বি iii. তিহাৰ

d. নেপালী iv. বিষুৰা

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iv | i | ii | iii |
| (B) | i | ii | iii | iv |
| (C) | iv | iii | ii | i |
| (D) | ii | iv | i | ii |

61. 'ক' স্তম্ভ 'খ' স্তম্ভ

a. জখলা i. আহোম (টাই)

b. কাৰেং ii. মালয়

c. লাওপানী iii. হিন্দী

d. চাহিদা iv. বড়ো

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | ii | iv | i |
| (B) | i | iii | ii | iv |
| (C) | iv | ii | iii | i |
| (D) | iv | i | ii | iii |

www.careerindia.com

CAREERINDIA

**62.** **'ক' স্তম্ভ** — **'খ' স্তম্ভ**

a. হে অৰণ্য হে মহানগৰ — i. অজিৎ বৰুৱা
b. কিছুমান পদ্য আৰু গান — ii. নীলমণি ফুকন
c. নৃত্যৰতা পৃথিবী — iii. সমীৰ তাঁতী
d. সেউজীয়া উৎসৱ — iv. নৰকান্ত বৰুৱা

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | iv | i | ii | iii |
| (C) | iv | iii | ii | i |
| (D) | ii | iv | i | iii |

**63.** **'ক' স্তম্ভ** — **'খ' স্তম্ভ**

a. সৌটো বেঁকা বাটৰ মুৰত সোণটিহঁতৰ ঘৰ — i. বিনন্দ চন্দ্ৰ বৰুৱা
b. একে একে সকলোটি, বান্ধে গড়, খানে মাটি — ii. পদ্মধৰ চলিহা
c. ধৰেনে জনম কেৱে এই মৰতত — iii. আনন্দ চন্দ্ৰ বৰুৱা
d. সোলোকাই মোকলাই এধাবন্ধা খোপাটি — iv. চন্দ্ৰকুমাৰ আগৰৱালা

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | iv | iii | i | ii |
| (C) | iii | i | ii | iv |
| (D) | ii | iv | iii | i |

**64.** **'ক' স্তম্ভ** — **'খ' স্তম্ভ**

a. ৰথৰ চকৰি ঘূৰে — i. পদ্ম বৰকটকী
b. ভাড়াঘৰ — ii. মামণি ৰয়চম গোস্বামী
c. নজুলা ধূপৰ ইতিকথা — iii. হিতেশ ডেকা
d. নীলকণ্ঠী ব্ৰজ — iv. চৈয়দ আব্দুল মালিক

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | iv | ii | i |
| (B) | iii | iv | i | ii |
| (C) | iv | iii | ii | i |
| (D) | iv | iii | i | ii |

**65.** **'ক' স্তম্ভ** — **'খ' স্তম্ভ**

a. পৃথিবীৰ অসুখ — i. প্ৰবীণা শইকীয়া
b. গহ্বৰ — ii. যোগেশ দাস
c. চিত্ৰতুৰগ — iii. চৈয়দ আব্দুল মালিক
d. অস্থায়ী আৰু অন্তৰা — iv. ভবেন্দ্ৰনাথ শইকীয়া

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | iv | i | iii |
| (B) | i | ii | iii | iv |
| (C) | iv | iii | ii | i |
| (D) | iii | i | iv | ii |

**66.** **'ক' স্তম্ভ** — **'খ' স্তম্ভ**

a. পহিলা তাৰিখ — i. অতুল চন্দ্ৰ হাজৰিকা
b. ভোগজৰা — ii. অৰুণ শৰ্মা
c. টিকেন্দ্ৰজিৎ — iii. ফণী শৰ্মা
d. আহাৰ — iv. সাৰদা বৰদলৈ

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | iv | iii | i | ii |
| (C) | ii | iv | iii | i |
| (D) | iii | i | ii | iv |

www.careerindia.com

67. 'ক' স্তম্ভ 'খ' স্তম্ভ

a. তাক এৰি সুন্দৰীক খেদন্ত দুনাই ।
যেন মত্ত হস্তী হস্তিনীক খেদি যায় ।। — i. যমক

b. ৰাতিপুৱা উঠি খাই তিনি ছিলিম ভাং,
বম্ বম্ বুলি বোপাই টোপনিটো ভাং ।। — ii. বক্রোক্তি

c. কন্টকৰ ভয়ে কোনে পুষ্প আহৰণে কুণ্ঠিত — iii. লুপ্তোপমা

d. সাগৰ গহন বায়ুসুত মহাবীৰ — iv. উপমা

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iv | i | ii | iii |
| (B) | iv | ii | iii | i |
| (C) | i | ii | iii | iv |
| (D) | iv | iii | ii | i |

68. 'ক' স্তম্ভ 'খ' স্তম্ভ

a. তগৰ — i. ইয়াৰুঈঙ্গম

b. চাৰেংলা — ii. জীৱনৰ বাটত

c. অনুপমা — iii. দঁতাল হাতীৰ উঁৱে খোৱা হাওদা

d. গিৰিবালা — iv. ডাৱৰ আৰু নাই

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | ii | i | iv | iii |
| (C) | iv | iii | ii | i |
| (D) | iii | iv | i | ii |

69. 'ক' স্তম্ভ 'খ' স্তম্ভ

a. গোলোক চন্দ্ৰ গোস্বামী — i. সমালোচক

b. গগন চন্দ্ৰ অধিকাৰী — ii. বিজ্ঞান সাহিত্য লেখক

c. দীনেশ চন্দ্ৰ গোস্বামী — iii. শিশু সাহিত্যিক

d. শৈলেন ভৰালী — iv. ভাষাবিদ

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | iii | iv | i | ii |
| (C) | iv | iii | ii | i |
| (D) | ii | i | iv | iii |

70. 'ক' স্তম্ভ 'খ' স্তম্ভ

a. ভাষাৰ্থ বিজ্ঞান — i. ৰমেশ পাঠক

b. ভাষা বিজ্ঞান — ii. দীপঙ্কৰ মৰল

c. ভাষাবিজ্ঞানৰ ভূমিকা — iii. উপেন্দ্ৰনাথ গোস্বামী

d. উপভাষা বিজ্ঞান — iv. ভগৱান মৰল

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | ii | iii | iv |
| (B) | ii | iv | i | iii |
| (C) | iv | iii | i | ii |
| (D) | iii | i | iv | ii |

তলত দিয়া কথাখিনি মনোযোগেৰে পঢ়ি **71** ৰ পৰা **75** লৈ দিয়া প্ৰশ্ন কেইটাৰ শুদ্ধ উত্তৰটো (A), (B), (C), (D) ৰ মাজৰ পৰা বাছি উলিওৱা :

অসমীয়া সাহিত্যৰ প্ৰথম সোণালী যুগ হ'ল শংকৰদেৱৰ যুগ । পঞ্চদশ শতিকাৰ পৰা সপ্তদশ শতিকালৈকে শংকৰদেৱৰ যুগৰ সীমা ধৰি ল'লেও দৰাচলতে শংকৰ যুগৰ সামৰণি সীমা সম্পূৰ্ণভাৱে নিৰ্ণয় কৰা কঠিন । শংকৰদেৱ নাথাকিলেও তেওঁৰ প্ৰভাৱ ৰৈ গ'ল । তেওঁ শ্ৰীমদ্ভাগৱৎ পুৰাণ, মহাভাৰত, ৰামায়ণ আৰু ভক্তিতত্বৰ বিভিন্ন পুথিৰ কাহিনী আৰু বিষয়ৰ পুনঃসৃজন কৰি অসমীয়া সাহিত্যৰ ভেঁটিটো সুদৃঢ় কৰাৰ উপৰিও তাৰ ওপৰত এটি উচ্চ সৌধ নিৰ্মাণ কৰি থৈ গ'ল । তেওঁৰ শিষ্য মাধৱদেৱ আৰু পৰৱৰ্তী কালৰ কবিসকল যেনে অনন্ত কন্দলী, ৰাম সৰস্বতী, ৰত্নাকৰ কন্দলী, শ্ৰীধৰ কন্দলী, কংশাৰী কবি, কলাপ চন্দ্ৰ, ভট্টদেৱ, হৰিদেৱ, নাৰায়াণ দাস ঠাকুৰ আতা, গোপাল আতা, গোপালদেৱ, ৰামচন্দ্ৰ ঠাকুৰ, গোবিন্দ মিশ্ৰ, পুৰুষোত্তম ঠাকুৰ, চতুৰ্ভূজ ঠাকুৰ, কেশৱ দাস, অনিৰুদ্ধদেৱ, দামোদৰ দাস, অনন্ত কায়স্থ, ভূষণ দ্বিজ, বৈকুণ্ঠ দ্বিজ, শ্ৰীৰামদেৱ আতা, যদুমণিদেৱ, বিষ্ণু ভাৰতী, ৰামানন্দ দ্বিজ, ৰঘুনাথ মহন্ত, বলোৰাম দ্বিজ, বিষ্ণুদেৱ গোস্বামী, ৰাম গোপাল, নিত্যানন্দদেৱ, ৰমাকান্ত আতা, ৰামচন্দ্ৰ আতা, লক্ষ্মীনাথ দাস, ভৱকান্ত বিপ্ৰমহন্ত, পূৰ্ণকান্ত, কেশৱ কান্ত, লক্ষ্মীদেৱ দাস ইত্যাদি শতাধিক কবি-গীতিকাৰ, নাট্যকাৰে ৰচনা কৰা কাব্য-নাট, গীত এই সকলোহে উৎস হ'ল শ্ৰীমদ্ভাগৱৎ পুৰাণ, ৰামায়ণ, মহাভাৰত আৰু পুৰাণসমূহ । অৱশ্যেই এইসকল কবি, গীতিকাৰ, নাট্যকাৰে পোনপটীয়া অনুবাদৰ পৰিৱৰ্তে কেৱল উৎস গ্ৰন্থসমূহৰ কোনো কাহিনীৰ বা আখ্যানৰ বিষয়-সাৰ গ্ৰহণ কৰি মৌলিকভাৱে তেওঁবিলাকৰ ৰচনা লিখি উলিয়াইছে । দেখা যায় অসমীয়া সাহিত্যৰ ঘাই ভেঁটিটো এই সংস্কৃত ভাষা ধ্ৰুপদি সাহিত্যৰ অনুবাদ, ভাবানুবাদ, ছায়ানুবাদ পুনঃসৃজন আদি কৰ্মৰে শক্তিশালী আৰু বহল কৰি থৈ গৈছে । এই ৰচনাসমূহে অসমীয়া ভাষা আৰু সাহিত্যৰ সমৃদ্ধি সাধন কৰাৰ উপৰিও অসমীয়া মানুহৰ মনোজগতকো বহল আৰু সমৃদ্ধিশালী কৰি থৈ গ'ল । এই ৰচনাসমূহে অসমীয়া মানুহৰ আধ্যাত্মিক, নৈতিক, সামাজিক, সাংস্কৃতিক আৰু মানৱীয় প্ৰমুল্যৰ ভেঁটিটোও বান্ধি দিলে । এতেকে অসমীয়া ভাষা, সাহিত্য আৰু অসমীয়া মন গঢ়ি তোলাত অনুবাদ সাহিত্যই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি গৈছে ।

ইয়াৰ পিছৰ কালতো আমি দেখিলোঁ । আহোম ৰজাৰ পৃষ্ঠপোষকতাত ৰচিত ধৰ্ম-নিৰপেক্ষ ব্যৱহাৰিক জ্ঞানৰ সাহিত্যৰ উপৰিও ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য চকুৰ আগত নৰখাকৈ লিখা কাব্য, নাট, গীত আদি ৰচনাই আমাৰ সাহিত্যক এটা নতুন মাত্ৰা দিলে । এইখিনি কামৰ লগতো সংস্কৃত সাহিত্যৰ উত্তৰাধিকাৰ সংযুক্ত হৈ আছে । তদুপৰি সমকালীনভাৱে অনেক কবি, গীতিকাৰ, নাট্যকাৰে শংকৰযুগৰ সাহিত্যৰ ধাৰাটো প্ৰায় সমান বেগেৰেই বোৱাই আনিছিল । ৰাম মিশ্ৰ, ৰামচন্দ্ৰ বৰপাত্ৰ, স্বৰ্গদেউ জয়ধ্বজসিংহ, স্বৰ্গদেউ ৰুদ্ৰসিংহ, স্বৰ্গদেউ শিৱসিংহ, কবিৰাজ চক্ৰৱৰ্তী, অনন্ত আচাৰ্য দ্বিজ, কবিচন্দ্ৰ দ্বিজ, ভোলানাথ দ্বিজ, দ্বিজ ৰমানন্দ, দুৰ্গেশ্বৰ দ্বিজ, ৰোচীনাথ কন্দলী, লক্ষ্মীনাথ দ্বিজ, বিদ্যাচন্দ্ৰ কবিশেখৰ ভট্টাচাৰ্য, শ্ৰীকান্ত সূৰ্য বিপ্ৰ, পৃথিৰাম দ্বিজ আদিৰ ৰচনাই সাহিত্যৰ সুঁতিটো বোৱাই আনিলে ।

আহোম ৰজাৰ উপৰিও অসমীয়া ভাষা আৰু সাহিত্যই কোঁচ আৰু কছাৰী ৰজাসকলৰ পৃষ্ঠপোষকতাও লাভ কৰিছিল । এই সময়ছোৱাত গোপীনাথ পাঠক, দামোদৰ দ্বিজ, শোভনাথ দ্বিজ সৰস্বতী, ৰতিকান্ত নন্দীশ্বৰ, বিশেশ্বৰ, খৰ্গশ্বৰ, নৰোত্তম দ্বিজ, মধু নাৰায়ণ কোঁৱৰ, গবিন্দ কবি শেখৰ, শ্ৰীনাথ ভাৰতী, দ্বিজ ৰামেশ্বৰ ৰুদ্ৰদেৱ, ৰধুনাথ, জয়দেৱ, বৈদ্যনাথ, ৰিপুঞ্জয়, ৰমানন্দ, হৰেন্দ্ৰনাৰায়ণ ৰজা আদি অনেক কবি, নাট্যকাৰ আৰু গীতিকাৰে অসমীয়া সাহিত্যৰ ব্যাপ্তি সাধন কৰি গৈছে । এওঁবিলাকৰ গৰিষ্ঠ সংখ্যকে মুখ্যতঃ ৰামায়ণ, মহাভাৰত আৰু ভাগৱৎ পুৰাণকে আধাৰ কৰি লৈছে ।

**71.** শংকৰদেৱৰ যুগটোক অসমীয়া সাহিত্যৰ সোণালী যুগ কিয় বোলা হয় ?

(A) শংকৰদেৱৰ যুগত ভক্তিমূলক ব্যাপকসংখ্যক গ্ৰন্থ সংস্কৃতৰ পৰা অসমীয়ালৈ অনুবাদ কৰা হয় ।

(B) শংকৰদেৱে বিবিধ সংস্কৃত সাহিত্য ৰচনা কৰি অসমীয়া সাহিত্যৰ ভেঁটি প্ৰতিষ্ঠাৰ লগতে অনুবাদ সাহিত্যৰ ভেঁটিও প্ৰতিষ্ঠা কৰিলে ।

(C) শংকৰদেৱে ভক্তিমূলক গ্ৰন্থৰ পুন:সৃজন কৰিলে । তদুপৰি অসমীয়া সাহিত্যৰ ভেঁটি সুদৃঢ় কৰাৰ লগতে আধ্যাত্মিক, নৈতিক, সামাজিক আদৰ্শৰ ভেঁটি প্ৰতিষ্ঠা কৰিলে ।

(D) শংকৰদেৱে নানা প্ৰকাৰৰ সংস্কৃত গ্ৰন্থ অসমীয়ালৈ অনুবাদ কৰাৰ বাবে আধ্যাত্মিক, নৈতিক আদৰ্শ প্ৰতিষ্ঠা হ'ল ।

**72.** অসমীয়া সাহিত্যৰ ঘাই ভেঁটি কোন শ্ৰেণী সাহিত্যৰ দ্বাৰা প্ৰতিষ্ঠিত ?

(A) অসমীয়া সাহিত্যৰ ঘাই ভেঁটি সংস্কৃতৰ ছায়াবাদী সাহিত্য ।

(B) অসমীয়া সাহিত্যৰ ঘাই ভেঁটি সংস্কৃত ধ্ৰুপদী সাহিত্যৰ অনুবাদ আৰু ছায়ানুবাদৰ পুন:সৃজন ।

(C) অসমীয়া সাহিত্যৰ ঘাই ভেঁটি সংস্কৃত গ্ৰন্থৰ অনুবাদ ।

(D) অসমীয়া সাহিত্যৰ ঘাই ভেঁটি সংস্কৃত ধ্ৰুপদী সাহিত্যৰ অনুবাদ, ভাবানুবাদ আৰু ছায়ানুবাদৰ পুনৰ সৃষ্টি ।

**73.** কোনবিধ সাহিত্য আৰু কাৰ ৰচনাই আধ্যাত্মিক, নৈতিক, সামাজিক আৰু মানবীয় প্ৰমূল্যৰ ভেঁটি বান্ধিলে

(A) শংকৰী যুগৰ কবিসকলে বিবিধ পুৰাণ, মহাভাৰত, ৰামায়ণ আদিৰ পৰা সাৰঅংশ গ্ৰহণ কৰি নিজৰ মৌলিক প্ৰতিভাৰে ৰচনা কৰি থৈ যোৱা সাহিত্যৰাজিয়ে অসমীয়া সাহিত্য আৰু অসমীয়া মানুহৰ বিবিধ দিশৰ ভেঁটি বান্ধিলে ।

(B) শংকৰী যুগৰ কবি সাহিত্যিকসকলে সংস্কৃত গ্ৰন্থৰ পৰা অসমীয়া ভাষালৈ অনুবাদ কৰি অসমীয়া সাহিত্য আৰু অসমীয়া মানুহৰ বিবিধ দিশৰ ভেঁটি বান্ধিলে ।

(C) শংকৰী যুগৰ কবি সাহিত্যিকসকলে সংস্কৃত সাহিত্যৰ অনুকৰণত সাহিত্য সৃষ্টি কৰি অসমীয়া মানুহৰ আধ্যাত্মিক, নৈতিক, সামাজিক প্ৰমুল্যৰ ভেঁটি দৃঢ় কৰিলে।

(D) শংকৰী যুগৰ কবি-সাহিত্যিক সকলে গীত, পদ, নাট ৰচনা কৰি অসমীয়া সমাজ জীৱনৰ আধ্যাত্মিক, সামাজিক প্ৰমূল্যৰ ভেঁটি প্ৰতিষ্ঠা কৰিলে ।

**74.** আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাত কেনেধৰণৰ সাহিত্য ৰচিত হৈছিল ?

(A) ধৰ্মনিৰপেক্ষ ব্যৱহাৰিক জ্ঞানৰ সাহিত্য ৰচনাত পৃষ্ঠপোষকতা কৰিছিল ।

(B) ধৰ্মনিৰপেক্ষ ব্যৱহাৰিক জ্ঞানৰ সাহিত্য ৰচনা কৰাৰ উপৰিও ধৰ্মীয় উদ্দেশ্যবিহীন সাহিত্য ৰচনা কৰাত পৃষ্ঠপোষকতা কৰিছে ।

(C) সমকালীন সাহিত্যিকসকলে কাব্য, গীত, নাট ৰচনা কৰাৰ উপৰিও সংস্কৃত সাহিত্যৰ পৰাও অনুবাদ কৰাৰ ক্ষেত্ৰত অৰিহণা যোগাইছিল ।

(D) সমকালীন সাহিত্যিকসকলক শংকৰী যুগৰ সাহিত্যৰ ধাৰাটো বোৱাই অনাত পৃষ্ঠপোষকতা কৰিছিল ।

**75.** অসমীয়া ভাষা আৰু সাহিত্যৰ ব্যাপ্তি সাধনত কোঁচ আৰু কছাৰী ৰজাসকলৰ অৱদান কেনেধৰণৰ আছিল ?

(A) গৰিষ্ঠসংখ্যক কবি, নাট্যকাৰ, গীতিকাৰৰ সৃষ্টিত কোঁচ কছাৰী ৰজাসকলে অৰিহণা যোগাইছিল ।

(B) এই সময়ৰ সাহিত্যিকসকলক ৰামায়ণ, মহাভাৰত, পুৰাণ আদিৰ আধাৰত সাহিত্য ৰচনা কৰিবলৈ পৃষ্ঠপোষকতা কৰিছিল ।

(C) কোঁচ কছাৰী ৰজাসকলৰ পৃষ্ঠপোষকতাত গৰিষ্ঠ সংখ্যক কবি, নাট্যকাৰ আৰু গীতিকাৰে সাহিত্য সৃষ্টি কৰি অসমীয়া সাহিত্যৰ বিকাশ ঘটাইছিল ।

(D) কোঁচ-কছাৰী ৰজাসকলৰ পৃষ্ঠপোষকতাত গীত, নাট, কবিতা আদি সাহিত্যৰ বিবিধ দিশৰ ৰচনা হৈছে ।

**Space For Rough Work**

www.careerindia.com